*Journal of Cultural Research Studies*, Vol-III Issue-1(2024), p 11-22. (ISSN 2583-6137)
A Blind Peer-Reviewed International Multidisciplinary Online Open Access Journal.

# বিয়ানামত অসমীয়া নাৰীৰ জীৱন

**উৰ্বশী লাচিত**

স্নাতকোত্তৰ, লোকসংস্কৃতি বিভাগ।

কল্যাণী বিশ্ববিদ্যালয়, পশ্চিমবংগ, ভাৰত।

Email-urbashilachit02@gmail.com

**সাৰাংশ:**

*জনসাধাৰণৰ নিভাঁজ মনৰ মধুৰ ভাৱৰাজিৰ মুকলিভাৱে প্ৰকাশ কৰিব পৰা মাধ্যমটোৱেই হৈছে লোকগীত।প্ৰৱাহমান গতিৰে মানৱ সমাজত প্ৰচলিত হৈ থকা সামাজিক প্ৰথাটো হৈছে বিয়া বা বিবাহ।অসমীয়া জাতীয় জীৱনত প্ৰভাৱ বিস্তাৰ কৰা সংস্কৃতিৰ পথাৰখনিত বহুতো উৎসৱ-পাৰ্বন,ৰীতি-নীতি,সামাজিক লোকাচাৰ প্ৰচলন।এই সমূহৰ ভিতৰত বিবাহ পৰম্পৰাটো অন্যতম।বিবাহত প্ৰচলিত গীত-মাত বোৰকেই বিয়ানাম বুলি জনা যায়।বিয়ানামৰ প্ৰচলন অতি পুৰণি। বিয়ানামবোৰ অসমৰ জাতীয় জীৱনৰ এক অমূল্য সম্পদ তথা অসমীয়া লোকগীত আৰু লোকসাহিত্যৰ আপুৰুগীয়া সম্পত্তি।অসমীয়া বিবাহ অনুষ্ঠানৰ কোমলতা আৰু অনুভূতিৰ লগতে অবাৰিত কল্পনা শক্তি,চিন্তাৰ গভীৰতা আৰু মনোৰম প্ৰকাশভংগী আদি বিয়ানামবোৰতে পোৱা যায়।অসমীয়া ভাষীসকলৰ উপৰিও অন্যান্য জনগোষ্ঠীসমূহৰ মাজতো এই পৰম্পৰা প্ৰচলিত।*

*সমাজ এখনৰ বাবে দাপোণস্বৰূপ হৈছে সেই সমাজখনৰ সংস্কৃতি।ইতিহাসৰ পাত লুটিয়ালে অনুমান কৰিব পাৰি আজিও এক অনুপম ৰূপত প্ৰতিভাত হৈ আছে অসমীয়া নাৰীয়ে অসমৰ ঐতিহ্য পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য ভূমিকাৰ কথা।আদিম কালৰে পৰা সংস্কৃতিৰ পথাৰখনত নাৰীৰ অৱদান উল্লেখনীয়।অসমীয়া বিবাহত প্ৰচলিত প্ৰায় সকলো লোকাচাৰেই নাৰীকেন্দ্ৰিক।নাৰী আৰু পুৰুষ এটা মুদ্ৰাৰ ইপিঠি সিপিঠি।যেনেকৈ ইয়াৰ যৌথ প্ৰচেষ্টাত সমাজ একোখন চলে ঠিক সেইদৰে,অসমীয়া লোকসংস্কৃতি ভৰাঁলটোৱেও আমাক মেটমৰা কৰি ৰখাত সহায় কৰিছে।ইয়াৰে এক নিৰ্দশন হৈছে অসমীয়া নাৰীৰ কণ্ঠত প্ৰাণপোৱা এক চিৰসেউজ গীত "বিয়ানাম"।এই নামত পৰিস্ফুট হৈছে অসমীয়া নাৰীয়ে সমাজ নিয়ন্ত্ৰণ,সমাজীকৰণ,সমাজ সংহতকৰণ আদি বিভিন্ন দিশত পুৰুষৰ সৈতে সহযোগিতা আগবঢ়াই মূখ্য ভূমিকা পালন কৰাৰ দৃশ্য।নাৰীসুলভ কোমলতা আৰু অনুভূতি প্ৰৱণতাৰ বাবেই বিয়া উৎসৱৰ বিভিন্ন কাৰ্যক্ৰমণিকাত বিয়ানামৰ ৰচয়িত্ৰী সকলে স্বকীয় কবিত্বশক্তিৰে বিধে বিধে গীত ৰচনা কৰি প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰা দেখা পোৱা যায়।এক কথাত ক'বলৈ গ'লে*

*Journal of Cultural Research Studies,* Vol-III Issue-1(2024), p 11-22. (ISSN 2583-6137)
A Blind Peer-Reviewed International Multidisciplinary Online Open Access Journal.

*নাৰীমনস্তত্ত্ব আৰু নাৰীজীৱনৰ বিচিত্ৰ চিত্ৰণ প্ৰতিফলন ঘটিছে এই বিয়ানামৰ মাজেদি।বৰ্তমান অসমত বিলুপ্তিপথেৰে গৈ থকা বিয়ানামবোৰৰ সমল নিয়ত ৰক্ষয়িত্ৰী হিচাপে বিবেচিত এক বৃহৎ সংখ্যক নাৰীৰ ছবিখন আগত ৰাখি আৰু লগতে অসমীয়া সংস্কৃতিত নাৰীৰ ভূমিকা ও অৱদান তাৰ প্ৰতি লক্ষ্য ৰাখি "**বিয়ানামত অসমীয়া নাৰীৰ জীৱন**" এই বিষয়টোৰ ওপৰত অৱলোকন কৰা হৈছে।*

**মুখ্যশব্দঃ *বিয়ানাম,নাৰী,লোকসমাজ,সমাজ সংহতকৰণ, সামাজিকীকৰণ ।***

**১. আৰম্ভণিঃ**

কোনো এটা জাতিৰ বৈশিষ্ট্যসূচক শিল্প-সাহিত্য, বিশ্বাস, সমাজনীতি, ধৰ্মীয় ৰীতি-নীতি, কৰ্ম, শিক্ষা, চৰ্চা, কলা,ৰুচি আদিৰ সমাৱেশক একেলগে সংস্কৃতি বা কৃষ্টি বুলিব পাৰি।অসমীয়া সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয় । বিভিন্ন ভাষা-ভাষী, জাতি-জনজাতিৰে গঠিত অসমীয়া লোকসংস্কৃতিৰ পৰিসৰ অতি বিশাল। অসমৰ লোক কথা তথা লোক কল্পনাৰ বহিঃ প্ৰকাশ ঘটিছে ইয়াৰ লোক গীত-মাত সমূহত। অসম খনৰ দৰেই , অসমৰ মানুহৰ সৰল মন বোৰৰ দৰেই অসমৰ ভূমিত সৃষ্টি হোৱা এনে গীত-মাত সমূহ ৰ ভাষা যথেষ্ট আৱেগ প্ৰৱল ,সুৰ শ্ৰুতিমধুৰ আৰু গাম্ভীৰ্যপূৰ্ণ ।

**২.লোকসংস্কৃতিৰ সমল সমূহৰ চমু পৰিচয়ঃ**

"বিয়ানামত অসমীয়া নাৰীৰ জীৱন" বিশ্লেষণ কৰিবলৈ যাওঁতে, প্ৰথমতেই লোকসংস্কৃতিৰ সমল সমূহ নিৰ্দেশনৰ কথা আহে।এই ক্ষেত্ৰত ৰিচাৰ্ড এম.ডৰছন.এ লোকসংস্কৃতিৰ সমল সমূহৰ যি শ্ৰেণী বিভাগ সূচনা কৰি দেখুৱাইছে,তাকেই আৰ্হি হিচাপে লৈ অসমীয়া লোকসংস্কৃতিকো এনেদৰে চাৰিটা ভাগত ভাগ কৰি লোৱা হৈছে।লোকসংস্কৃতিক সমলৰ ওপৰত ডৰছনৰ শ্ৰেণীবিভাগ তলত উল্লেখ কৰা ধৰণৰ -

(ক) লোকসাহিত্য (Oral Literature)

(খ) ভৌতিক সংস্কৃতি (Material Culture)

(গ) সামাজিক লোকাচাৰ (Social folk Custom)

(ঘ) লোক পৰিৱেশ্য কলা (Folk performing arts)

মুখ্যতঃ উল্লেখিত লোকপৰিৱেশ্যকলা সমলটিৰ ভেটিতে "বিয়ানামত অসমীয়া নাৰীৰ জীৱন" বিশ্লেষণৰ প্ৰক্ৰিয়া অনুধাৱন কৰিবলৈ প্ৰয়াস কৰা হৈছে ।

**২.১লোকপৰিৱেশ্য কলা আৰু অসমীয়া নাৰীঃ**

পৰম্পৰাগত সংগীত,নৃত্য আৰু নাটক লোকপৰিৱেশ্য কলাৰ অংগ।এই তিনিও ক'লাৰ লগতে নাৰীৰ পৰস্পৰ সম্পৰ্ক দেখা পোৱা যায়।লোকপৰিৱেশ্যকলাৰ এক বৈশিষ্ট্যপূৰ্ণ অঙ্গ লোকগীত।অসমীয়া লোকগীতৰ ক্ষেত্ৰখন

অতি সমৃদ্ধিশালী।এই লোকগীতবোৰে অসমীয়া জাতিৰ জাতীয়তাবোধৰ পৰিচয় বহন কৰি আহিছে। ইংৰাজী Folk song অৰ প্ৰতিশব্দৰূপে অসমীয়াত ব্যৱহৃত লোকগীতত অসমীয়া কৃষিজীৱী,গঞ্জালোকৰ কৰ্মমুখী জীৱনৰ প্ৰতিফলকৰূপে প্ৰচলন হৈ আছে।উদাহৰণস্বৰূপে,এই সমূহ গীত সুখ-দুখ,হৰ্ষ-বিষাদ,আশা-নিৰাশা,প্ৰেম-ঘৃণা,প্ৰচলিত নানান লোকাচাৰ,সাংস্কৃতিক ঐতিহ্য আদিৰ প্ৰকাশক।এই গীতৰ সুৰত নাৰী জীৱনৰ অন্তৰৰ পৰা নিগৰি অহা আৱেগৰ সুৰ লগতে প্ৰকৃতিৰ সমল অনুকৰণত অন্তৰৰ পৰা নিগৰাই সৃষ্টি কৰা প্ৰকৃতিৰ সুৰ শুনিবলৈ পোৱা যায়।যেনে-দিহানাম,ধাইনাম আদি।অসমৰ লোক নৃত্য সমূহৰ ক্ষেত্ৰত দেখা যায় যে নাৰীৰ লাস্যময়ী লয়লাসেহে সেই সমূহক প্ৰাণময় কৰি তুলিছে বা সিবোৰত এক সাৰ্ব্বজনীন আবেদন আনি দিছে।উদাহৰণস্বৰূপে-কৃষিভিত্তিক 'বিহু নাচ'ত জনজাতীয় অজনজাতীয় সকলো নাৰীৰ দেহ-মন একাকাৰ হৈ উঠাৰ মনোৰম চিত্ৰ পোৱা যায়।

লোক পৰিৱেশ্য কলাৰ অংগীভূত লোক নাটকৰ দিশতো অসমীয়া নাৰীৰ পোনপটীয়া সংযোগ মন কৰিবলগীয়া।এই সমূহৰ ভিতৰত- কামৰূপৰ কোনো ঠাইত প্ৰচলিত 'আপী ওঝাৰ'ৰ অনুষ্ঠান,নগাঁৱৰ 'ছোৱালী ঢুলীয়া'ৰ অনুষ্ঠান,গোৱালপাৰাত প্ৰচলিত 'কুশান গান'(পূৰ্বৰ চেংড়াৰ ঠাইত ছোৱালীৰ স্থান) 'পচতি',শিৱসাগৰৰ কোনো ঠাইত প্ৰচলিত 'মহিলা ভাওনাৰ অনুষ্ঠান,কাৰ্তিক পূজাৰ গীত(গোৱালপাৰাত প্ৰচলিত)উল্লেখযোগ্য।নাৰীৰ দ্বাৰা পৰিবেশিত এই লোক নাট্যানুষ্ঠান সমূহ অসমৰ গ্ৰামীণ মহিলাৰ কলা-কৃতিৰ সুন্দৰ পৰিচায়ক।লোক পৰিৱেশ্য কলায়েও অসমীয়া নাৰীৰ শিল্পানুৰাগী মনৰ মাধ্যমেদি এক অভিনৱ ৰূপত আত্ম প্ৰকাশি উঠিছে।অসমৰ লোকসংস্কৃতিৰ লৌকিক উপাদান লোক পৰিৱেশ্য কলা ক্ষেত্ৰখনত অৱদান আগবঢ়োৱা কেইগৰাকীমান অসমীয়া নাৰী যেনে- দিপালী বৰঠাকুৰ, নিৰ্মলপ্ৰভা বৰদলৈ, প্ৰতিমা বৰুৱা পাণ্ডে, মনীষা হাজৰিকা, অৰ্চনা মহন্ত, অনিমা চৌধুৰী, কল্পনা পাটোৱাৰী, নমিতা ভট্টাচাৰ্য, নীলিমা খাতুন, মধুমতী গোস্বামী, ৰশ্মিৰেখা শইকীয়া ইত্যাদি।

## ২.২ বিয়ানামত নাৰীৰ জীৱন

অসমীয়া বিবাহ উৎসৱৰ বিভিন্ন উপলক্ষ্যত গোৱা জোৰোণ দিয়া,পানী তোলা, সুৱাগুৰি তোলা, দৰা কইনাক গা-ধুওৱা,গাঠিঁয়ন খোন্দা,কইনা পাটীত বহুৱা,দৰা-আদৰা আদি গীতবোৰত স্মৃতি শাস্ত্ৰৰ নীতিৰ দ্বাৰা সংযত পবিত্ৰ মিলনৰ সুৰ শুনিবলৈ পোৱা যায়।

*"এঙ্গনি ভেঙ্গনি তিনি ফেৰেঙ্গনি মাণিক থুপাথুপি লাগে;*

*হ'ৰলৈ গৌৰীকে নিদিওঁ নুবুলিবা সৃষ্টি বাঢ়িব লাগে।।"*

বিয়ানামত লোকাই আছে অসমীয়া লোকজীৱন আৰু সমাজ তথা সামাজিক পৰিঘটনাৰ প্ৰতিচ্ছবি।প্ৰতিফলিত হৈ ৰৈছে অসমীয়া নাৰীৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, আনন্দ-স্ফুৰ্তি, মিলন-বিচ্ছেদ আদি নানান কথাবোৰ।নাৰী হৃদয়ৰ এক সু-কোমল মিঠা বেদনাৰ সুৰৰ সৈতে অসমীয়া সমাজলৈ নাৰীৰ অৱদান আৰু গুৰুত্বতাকে সাঙুৰি নাৰী মনৰ ভাৱ, প্ৰতিবাদ,চেতনা আদি সোণসেৰীয়া হৈ এই নামত জিলিকি আছে । যি কেৱল নাৰীৰে সৃষ্টি । সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ ভাষাৰে "দাম্পত্য জীৱনৰ আদৰ্শ, বৰ্-কন্যাৰ ৰূপ-যৌৱন, উলিয়াই দিবলৈ ধৰা কন্যাৰ আসন্ন বিচ্ছেদৰ

*Journal of Cultural Research Studies*, Vol-III Issue-1(2024), p 11-22. (ISSN 2583-6137)
A Blind Peer-Reviewed International Multidisciplinary Online Open Access Journal.

কাৰণ্য, নাৰীজীৱনৰ আশা-আকাংক্ষা আৰু ঘৰুৱা চিত্ৰ সুন্দৰ প্ৰকাশ বিয়ানামবোৰত লক্ষ্য কৰা যায়" কল্পনা আৰু উপমাৰ নিদৰ্শন এই বিয়ানামবোৰত প্ৰকাশ পায় এনেদৰে-

*"চোতালত কান্দিলে চোতালৰ পৰুৱাই ঐ ৰাম*

*চোতাল হাৰি দিব কোনে হে।*

*বৰঘৰত কান্দিলে তোমাৰ মা-দেউতাৰায় ঐ ৰাম*

*ভাতে বাঢ়ি দিব কোনে হে।।"*

-ঘৰৰ আগফালে থকা বহলকৈ এডোখৰ ঠাই যাক চোতাল বুলি কোৱা হয় আৰু ভাত ৰান্ধিবলৈ ব্যৱহাৰ কৰা ঠাইখনক বৰঘৰ বা পাকঘৰ বোলে। এই নামতিৰ যোগেদি অসমীয়া লোকসংস্কৃতিত ব্যৱহৃত গাৱলীয়া কিছুমান নামৰ সৈতে ছোৱালী এজনীৰ দৈনন্দিন জীৱনটোক তুলি ধৰা হৈছে।

নাৰী মানেই সৃষ্টি আৰু এই সৃষ্টিয়েই প্ৰকৃতি। বিয়ানামৰ মাজেৰে অসমৰ মনোৰম প্ৰকৃতিৰ বিভিন্ন উপাদান ফুল-ফল, লতা, নদী ব্ৰহ্মপুত্ৰ, গংগা-যমুনা আদিৰ কথা উল্লেখ পোৱা যায়। প্ৰকৃতিৰ বিভিন্ন ৰূপৰ সৈতে নাৰী জীৱন এনেদৰে প্ৰকাশ ঘটিছে -

*"শৰাইয়ে শৰাইয়ে কাঞ্চন ফুল গাঁথিছে*

*আইদেউৰ খোপালৈ চাই।*

*সেউতী পিন্ধিছে মালতী পিন্ধিছে*

*পিন্ধিছে খৰিকাজাঁই।*

*সেউতীৰ এচাকি মালতীৰ এচাকি*

*আৰু চম্পাকলিৰ চাকি।*

*মাকে বাপেকে আইদেউক সজাইছে*

*একোকে থোৱা নাই বাকী।।"*

বিয়ানামৰ মাজত জিলিকি উঠা নাৰী প্ৰাণৰ আকৰ্ষণীয়তা আৰু সৌন্দৰ্যপ্ৰিয়তা মন কৰিবলগীয়া। দৰা- কইনাক নোৱাবলৈ পানী তুলিবলৈ যাওঁতে আয়তীসকলে মধুৰ কল্পনাৰে গায় -

*"ওলাই আহা শশী প্ৰভা ঐ শশী ৰজাৰ মহাদৈ*

*শুভক্ষনে যাত্ৰা কৰি ঐ শশী জলে আনোগৈ ”*

*“ৰাম কৃষ্ণ ৰিণিকি ৰিণিকি*

*ৰাম কৃষ্ণ দেখিছো যমুনা*

*হৰি মোৰ ঐ বৈ আছে কদমৰ তলে*

*ৰাম কৃষ্ণ নন্দশ্যাম কানাইয়ে*

*ৰাম কৃষ্ণ দিয়ে কি নিদিয়ে*

*হৰি মোৰ ঐ ভৰা যমুনাৰে জলে।।”*

প্ৰকৃতিৰ ৰূপ অনুপম হৈ উঠে যেতিয়া গছ-লতিকা, ফল্-ফুলেৰে জাতিষ্কাৰ হয় বন্-উপবন, বিভিন্ন পক্ষীৰ সুমধুৰ গীতেৰে মুখৰিত হয় । সহজ সৰল অনামী মহিলা আয়তীসকলে এই বিনন্দিয়া প্ৰকৃতিৰ পৰা এপদ দুপদ কৈ অলঙ্কাৰ বুতলাৰ দৰে চিত্ৰসমূহ বুটলি আনি সৌন্দৰ্যপ্ৰিয়তাৰ নিৰ্দশন দিয়ে বিয়ানাম আকাৰে । এই সন্দৰ্ভত প্ৰফুল্লদত্ত গোস্বামী দেৱে এনেদৰে মত প্ৰকাশ কৰিছে- “The namati’s genius is revealed most when she has to give expression to the atmosphere of sadness that prevails when the dear girl is to be parted with and taken away”.

অসমীয়া অন্য লোকগীত যেনে;যৌৱনৰ বতৰাৰে উচ্ছল বিহুগীত, মাতৃৰ-প্ৰাণৰ মৰমেৰে উমাল নিচুকণি গীত, নাৰী অনুভূতি জড়িত লখিমী সবাহৰ নাম, স্বামীৰ মঙ্গলৰ কাৰণে বা সু পতি পোৱাৰ কামনাৰে গোৱা চৰা ব্ৰতৰ গীত, ঘৰ এখনৰ শ্ৰী বৃদ্ধিৰ কাৰণে দেৱী সুবচনী নাম উদ্দেশ্যি গোৱা আউল পূজাৰ নাম, আইনাম, বনগীত আদিত যেনেকৈ অসমীয়া নাৰীৰ জীৱনৰ এক দৃশ্য দেখা পোৱা যায় ঠিক সেইদৰে বিয়ানামতো নাৰীৰ জীৱন সজীৱ, স্পষ্ট,ৰঙীণ, গভীৰ ৰূপে প্ৰকাশ ঘটিছে । সকলো নাৰীৰে হয়তো অপ্ৰকাশিত, অব্যক্ত, গোপনীয় মনোকামনা থাকে সীতা,ৰুক্মিণী, পাৰ্বতী দৰে ৰাম, কৃষ্ণ, শিৱ, অনিৰুদ্ধৰ নিচিনা এজন স্বামী পোৱাৰ । সেয়ে বিয়ানামতো এই পৌৰাণিক আখ্যানৰ চৰিত্ৰসমূহে প্ৰাধান্যতা লাভ কৰিছে যিয়ে হয়তো অসমীয়া নাৰীৰ অৱচেতন হৈ থকা এটা মনক ব্যক্ত কৰিছে –

*“পাটীত বহি ৰুক্মিণীয়ে মাটিত মঙ্গল চায়।*

*কেতিয়া আহিব কৃষ্ণ সোণৰ বংশী বায়।*

*পাটীত বহি ৰুক্মিণীয়ে মনে মনে গুণে।*

*কৃষ্ণ আহিছে বুলি কাণ পাতি শুনে।।”*

বিয়ানামৰ যোগেদি নাৰীমনৰ শান্ত,নম্ৰ আৰু মংগল কামনাৰ ৰূপটোও প্ৰকাশিত হয় । ঘৰখনৰ বাবে তাৰোপৰিও সমাজৰ হিতৰ বাবে এৰাধৰা কৰিব পৰাটো নাৰীৰ এক সহজাত প্ৰবৃত্তি । তেনে এক ভাৱৰ পৰিস্ফুট হয় এটি নামত এনেদৰে –

"বাইদেউৰ আঙুলিত জ্বলিছে মিনা

*কোনেনো পিন্ধালে বিবাহৰ দিনা ।।*

*আঙুঠিৰ ওপৰত মৰমৰ চিন*

*দুটি সুৰ বাজিব মিলনৰ দিন ।।*

*চোতালৰ আগতে গধূলি গোপাল*

*বাইদেৱে ভাবিছে কিনো মোৰ কপাল।।*

*লোকৰ ঘৰ এখনি কেনেকৈ চাম*

*মা-দেউতাক এৰি থৈ কেনেকৈ যাম।।*

*যাব যে লাগিব বিধিৰে লিখন*

*পালিব লাগিব নাৰীৰে জীৱন।।"*

বিয়া বুলিলে এফালে যেনেদৰে মিলনৰ আনন্দ তেনেদৰে আনফালে দেখা পোৱা যায় বিচ্ছেদৰ কাৰুণ্য । বিধিৰ লিখন মানি, মংগল কামনা কৰি সকলোবোৰ আনন্দ-বিষাদ গ্ৰহণ কৰি বিবাহ পাশত আৱদ্ধ হৈ প্ৰজন্ম সৃষ্টিৰ বাবে,সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰে নাৰীৰ যি অৱদান সেয়াও মনকৰিবলগীয়া।সেই নাৰী কেৱল অসমীয়া নাৰীয়েই নহয়! বিশ্বৰ নাৰী! আমাৰ সকলোৰে " মা" ।

অসমীয়া নাৰী কামে-কাজে আগবঢ়া, তাতঁশালৰ পাকৈত শিপিনী, পথাৰৰ ৰোৱনী, আঘোণৰ চোকা ৰ'দৰ দাৱনী আৰু বৰঘৰৰ লখিমী জীয়াৰী । ঘৰখনৰ সকলো কামতেই আগবঢ়া, নেতৃত্ব লোৱা ধৰণৰ। সেইখন ঘৰৰ পৰা তেওঁক অন্যঘৰলৈ বিদায় দিবৰ কথা শুনি ছোৱালী জনীৰ যি মনৰ ভাৱ সেয়াও বিয়ানামত এনেদৰে ফুটি উঠে-

*"কিয় দেউতা বিয়া দিছে লোকৰ ঘৰলৈ*

*ঘৰতে থাকিমে দেউতা তোমাৰ চাকৰ হৈ।।"*

*দিনত হ'লে গৰু চৰাম মা মই য'তে-ত'তে*

*ৰাতি হ'লে পৰি থাকিম বাৰান্দাৰ চুকতে*

*খোৱা লগত তোমালোকক নকৰো মই যাজ*

*কুকুৰলৈ থোৱা ভাতে মোৰে হ'ব হাজ।।*

*শাওন মাহৰ চোকা ৰ'দত ৰোৱালে তোলালে*

*এতিয়া মা খাবৰ সময়ত লোকলৈ বিলালে।"*

এই নামটিত নাৰী মনৰ বেদনা চিত্ৰৰ লগতে প্ৰতিবাদৰ এটি সুৰ পোৱা যায়। গাভৰু গৰাকীয়ে জন্মলোৱা ঘৰখনত দায়িত্বসহকাৰে নিজৰ কৰ্তব্য পালন কৰিছিল । তথাপিও যে পুত্ৰ হ'লে আনে জী হ'লে দিয়ে । ছোৱালী হ'লে দেউতাকৰ ঘৰখনৰ কাৰণে যিমানেই নকৰক কিয় ? সংসাৰৰ নিয়ম অনুসাৰে এৰি যে যাবই লাগিব তাৰেই এটি মনোভাৱ প্ৰকাশ হৈছে। ঠিক সেইদৰে নামটিৰ সৈতে খাপখোৱাকৈ মাক-দেউতাকৰ বুকুৰ কুটুম জী জনীক বিদায় দিয়াৰ কথা ভাবোঁতে তেওঁলোকৰো যি অপ্ৰকাশিত এক মনৰ বিষাদতা সেই চিত্ৰও আয়তীসকলে বিয়ানামৰ দ্বাৰা এনেদৰে দাঙি ধৰিছে।

*"আগবাৰীৰ শুৱনি কাকিনী তামোলে ঐ ৰাম*

*পাছ বাৰীৰ শুৱনি পাণে হে*

*বৰঘৰৰ শুৱনি গাভৰু ছোৱালী ঐ ৰাম*

*ওলিয়াই দিবলৈ টানে হে।।"*

*বাংলা ভাষাটো জী বিদায়ৰ সময়ত মাকৰ যি বুকুৰ কান্দোন,তাৰেই এক দৃশ্য এই বিয়ানামটিত প্ৰতিফলিত হৈছে-*

*"আমতলায় ঝামুর ঝুমুর, কলাতলায় বিয়া,*

*রাঙা পায়ে কইন্যা চলে মুটুক মাথায় দিয়া।।*

*ছিল কন্যা মায়ের কোলে*

*নৌকা ভাসে নয়নজলে,*

*মায়ের বুকে তুফান ওঠে*

কাইন্দা ভাসায় হিয়া।।"

অসমীয়া নাৰীজীৱনত তাঁতশাল খন অপৰিহাৰ্য অংগ।যেনেকৈ বিয়ানাম তিৰোতাৰ তেনেকৈ তাঁতশালো তিৰোতাৰে।অসমীয়া নাৰী তাঁতশালৰ লগত নিবিড় সম্পৰ্ক।সেয়ে তাঁতশাল কথা উল্লেখ অসমীয়া বিভিন্ন লোকগীতত পোৱা যায় । অৱশ্যেই, বৰ্তমানে অসমীয়া নাৰীৰ লোকজীৱন অথবা অতীতৰ নাৰীৰ লোকজীৱনত

যথেষ্ঠ সাল-সলনি ঘটিছে । তেতিয়া আৰু এতিয়াৰ লগত সকলোবোৰ কথা আৰু ভাৱ আদিৰ খাপ নাখাব পাৰে তথাপিও আমাৰ অসমীয়া লোকগীতৰূপি বিয়ানামত অসমীয়া নাৰীৰ সমাজচিত্ৰ জলজল পটপট।তাতঁশালক এৰি আলোচনা কৰিলে এই নাৰীৰ জীৱন আধৰুৱা হৈ ৰ'ব।সেয়েঃ

*"বৰঘৰত কান্দিলে মাকে-বাপেকে ঐ ৰাম*

*মাৰলত কান্দিলে ভনী হে;*

*বাৰীৰ পিছেফালে কান্দে তাঁতৰ শালে ঐ ৰাম*

*আাইদেউক বিয়া দিব শুনি হে।।"*

এই নামত আইদেউয়ে যিখন তাঁতশালত কাপোৰ বৈ আহিছে সেইখনও তেওঁৰ বিদায়ৰ কথা শুনি মনৰ বেজাৰত চকুলো টুকিছে বুলিয়ে প্ৰকাশক । বিয়ানামত বিভিন্ন সৰু-বৰ ভাৱে উপচি থাকে । য'ত লোকাই থাকে নাৰীৰ বুকুৰ সম্বাদ।বিয়াঘৰৰ বহুত আনন্দময় পৰিৱেশতো কোনোবা এডোখৰত বিয়ানাম শুনি বুকুত শোক এটাই খুন্দা মাৰি ধৰে । হয়তো এদিন নামতী গৰাকীও কইনা আছিল বা নামতী গৰাকীও কইনা হবগৈ।নিজৰ অন্তৰৰ কথা আজি বিয়ানাম ৰূপে আনক ক'ব এইদৰে-

*"শালত নাই দুৰ্পতি নাচনি জৰি*

*দেউতায়ে কান্দিছে মজিয়াত বহি*

*নাকান্দক দেউতা নকৰক দুখ*

*কালিলৈয়ে পৰা নেদেখে মোক*

*খায় শেষ কৰিলো দেউতাৰ ভৰাঁলৰ*

*পিন্ধি শেষ কৰিলোঁ মাৰে বাকচৰ*

*সেই দেখি মা-দেউতাই পাইছে বৰ লাজ*

*আহিছে সন্যাসী পাতিছে সমাজ ।*

*নাকান্দক দেউতা নকৰক দুখ*

*সেই সন্যাসীৰ লগতে গুচি যাম মই।।"*

অসমীয়া নাৰী যেনেকৈ সাহসী তেনেদৰে মনটোও খুউব কোমল ।স্বা ধীন,স্বাৱলম্বী ও সহজতে ভাঙি নপৰা ধৰণৰ যদিও ঘৰখনৰ আপোন কেইজনে অলপ টানকে ক'লেই চকুপানী ওলায়।কিয়নো ঘৰৰ জীয়াৰী মানে দেউতাকৰ

আলাসৰ লাৰু, মাকৰ আদৰৰ, ভায়েকৰ চেনেহৰ-হেঁপাহৰ। সেই ক্ষেত্রে চিৰদিনলৈ এখন অচিনাকী ঘৰলৈ ওলাই যাবৰ সময়ত বিচ্ছেদৰ বেদনাত দুখ লগাতো স্বাভাৱিক।

*"ৰৰঘৰত কান্দিছে ৰৈ ৰৈ চেৰেকী*

*যঁতৰত কান্দিছে পাঁজি কি ৰৈ ৰৈ*

*দেউতাৰাক এৰি থৈ ৰামৰ নগৰীলৈ আইদেউ যায় কেনেকৈ।*

*মায়ে তুলিছিল ৰৈ ৰৈ অলনা কলনা*

*ঢাপৰ পুলি কচু খাইয়ে কি ৰৈ ৰৈ*

*মাকে এৰি থৈ ৰামৰ নগৰীলৈ আইদেউ যায় কেনেকৈ।*

*কোমলকৈ পচলা ৰৈ ৰৈ কেলৈ কুটিছিলা*

*আনে বাটি ভৰাই খাইয়ে কি ৰৈ ৰৈ*

*ভাইটিক এৰি থৈ ৰামৰ নগৰীলৈ আইদেউ যায় কেনেকৈ।*

*চোতালৰ দুৱৰি ৰৈ ৰৈ*

*কোনকালে গুচিব বুটি কোৰে নোচোচে মানেকি ৰৈ ৰৈ*

*ভন্টীক এৰি থৈ ৰামৰ নগৰীলৈ আইদেউ যায় কেনেকৈ।*

*ঔ গছৰ কোমল কুঁহি ভাটো পৰি খায়*

*আইদেউৰ চকুপানী মাটিত পৰি যায়।।"*

ত্যাগৰ মনোভাৱেৰে এজনী যুৱতী স্বামী গৃহত যাতে সকলোৰে প্রিয় হব পাৰে তাৰো উপদেশ দিয়ে বিয়ানামে, নাৰী প্ৰাণৰ মহীয়্সী ৰূপ প্রকাশ হয় তেতিয়াই যেতিয়া এই ত্যাগৰ মন্ত্র নির্গত হয় কোমল কণ্ঠেৰে...

"অ মন লং

কেইটামান কথা কও ৰাখিবা মনত

শহুৰক মানিবা দেউতাৰৰ দৰে,

শাহুআইক দেখিবা মাৰৰ দৰে।

*Journal of Cultural Research Studies*, Vol-III Issue-1(2024), p 11-22. (ISSN 2583-6137)
A Blind Peer-Reviewed International Multidisciplinary Online Open Access Journal.

দেওৰক যাচিবা ভাইটিৰ মৰম্,

ননদক কৰিবা ভনীটিৰ মৰম্।

ওচৰ-চুবুৰীয়াক কৰিবা আদৰ,

বিপদে আপদে কৰিবা খবৰ।

যতনে কৰিবা বোৱাৰী-বন্;

সেয়েহে জানিবা নাৰীৰে ধৰম্।।"

অসমীয়া নাৰী এগৰাকী সুন্দৰ মনৰ গৃহিণীও।বিয়া হৈ অহাৰ পাছত স্বামীগৃহ ঘৰখনকে নিজৰ কৰি লয়।শাহু-শহুৰ, ননদ-দেৱৰেক সকলোকে একতাৰ বান্ধোনেৰে বান্ধি সেইখন ঘৰকে আপোন মানি লয়।পিতৃগৃহ এৰি পতিগৃহক শ্ৰদ্ধা, স্বীকাৰ, বুজাবুজি আৰু মনৰ সুখেৰে দাম্পত্য জীৱনৰ পাতনি মেলে সেয়ে এই নাৰী আমাৰ অসমীৰ লখিমী আৰু ভাৰতীয়ৰ আদৰ্শ।

*"চৰায়ে তুলিলে চকুৰি পোৱালি*

*গছৰ ডাল শুৱনি কৰি হে*

*মাক-দেউতাকে আইদেউক তুলিলে ঐ ৰাম*

*লোকৰ ঘৰ শুৱনি কৰি হে।*

*চৰায়ে তুলিলে চকুৰি পোৱালি*

*গছৰ ডাল শুৱনি হে।"*

*বংশ পৰিয়ালে সংস্কাৰ দিলে আইদেউকে ঐ ৰাম*

*সমাজখন শুৱনি কৰি হে।।"*

বিয়াঘৰৰ ৰভাতলত প্ৰাণ পায় বিয়ানামে।আয়তীসকলৰ গঠনমূলক চিন্তা, কল্পনা শক্তি আৰু বৰ্ণনাত্মক গতিধাৰাৰে বিয়ানামৰ দ্বাৰা বিয়াঘৰক কাব্য-নাটকলৈ ৰূপান্তৰ কৰে। পুৰুষ আৰু নাৰীৰ মিলনৰ সামাজিক স্বীকৃতি কথাকে সাঙুৰি নাৰী জীৱনৰ ত্যাগ, উঠন-পতন, ধৈৰ্য-সহ্য, নিষ্ঠা, একতা, সহনশীলতা আদি সকলো খিনি বিয়ানামত নাৰীৰ অন্তৰৰ পৰা স্বতঃস্ফূৰ্তভাৱে এক অনন্য সুৰৰ আকাৰে প্ৰতিভাত হয়। য'ত স্বকীয় প্ৰকাশত এখন সমাজত এজনী ছোৱালী ৰূপে, অন্যখন সমাজত বোৱাৰী ৰূপে আৰু এখন দেশত নাৰী ৰূপে জাতিৰ পৰিচয় দি সেউজ হৈ উঠে বিয়ানামৰ সুৰ আৰু তালৰ ছন্দে ছন্দে।

*Journal of Cultural Research Studies*, Vol-III Issue-1(2024), p 11-22. (ISSN 2583-6137)
A Blind Peer-Reviewed International Multidisciplinary Online Open Access Journal.

**৩.উপসংহাৰঃ**

"বিয়ানামত অসমীয়া নাৰীৰ জীৱন" অন্তত এক সন্মোহিত ব্যক্তিত্বৰ অধিকাৰী ৰূপে অসমীয়া নাৰীৰ এক চিৰ উজ্বল স্বৰূপ প্ৰতিভাত হৈ উঠে। প্ৰাচীনৰ পৰা বৰ্তমানলৈ,প্ৰবীণৰ পৰা নবীনলৈ প্ৰায় সংখ্যক লোকগীততে বিভিন্ন ৰূপত নাৰীৰ চিত্ৰণেৰে অসমীয়া গীতক অলংকৃত কৰাৰ লগতে নিজৰ সৃষ্টি কৰ্মক সুন্দৰ ৰূপত সজাই তুলিছিল এই নাৰীয়ে । নাৰীৰ নানান ৰূপ আৰু গুণে সমাজ আৰু সংস্কৃতিক যথেষ্ট সমৃদ্ধ কৰি তুলিছে আৰু ভৱিষ্যতেও এই চেষ্টা অব্যাহত থাকিব । নাৰীৰ প্ৰকৃতিগত ঐক্যই সামূহিক জীৱন প্ৰক্ৰিয়া ৰচনাত যি শুভ চেতনা-দ্যেতক হৈ কাম কৰে, সি নিতান্তই গ্ৰহণীয় আৰু আদৰণীয় । লোকসংস্কৃতিৰ বিভিন্ন দিশক বিশেষ ভাবে চহকী  কৰি তোলা এক জনসমুদায় হৈছে নাৰী।কেৱল মাত্ৰ অসমীয়া নাৰীয়ে নহয়, নিজস্ব দেশৰ লোকসংস্কৃতিক আগুৱাই নিয়াত সেই অঞ্চল বা সেইখন দেশৰ নাৰীৰ সম্পূৰ্ণ ভূমিকা দেখা পোৱা যায় । লোকসংস্কৃতিৰ উপাদানবোৰত বিপুলভাবে সঁহাৰি জনোৱা অসমীয়া নাৰীৰ এই সকলো শুভ সংযোগ তেতিয়াহে সম্পূৰ্ণ হৈ উঠিব, যেতিয়া বহিঃবিশ্বৰ সাংস্কৃতিক গতিধাৰাৰ লগত অসমীয়া নাৰীয়ে সমখোজ পেলাই এই সমূহ অৱদানৰ ভাৰ বহন কৰিবলৈ সমৰ্থ হ'ব । অন্যথা এই বিপুল অৱদানৰ স্বীকৃতি বিশ্বসংস্কৃতি ওচৰত অজ্ঞাত ৰূপেই থাকি যাব।

**সহায়ক গ্ৰন্থপঞ্জী আৰু তথ্যসূত্ৰঃ**

গগৈ,ড° লীলা --অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা ( পৃষ্টা - ২২৫ )

দেৱী ,অকণ -- অসমীয়া সমাজৰ বিবাহ পদ্ধতি আৰু বিয়ানাম

বৰা ,ড° ৰাজশ্ৰী -পঞ্চকলা আলোচনী,অসমৰ লোকসংস্কৃতিত অসমীয়া নাৰীৰ স্বৰূপ বিশ্লেষণ ( পৃষ্টা - ৫ )

শইকীয়া,ড° অনিল - বৰভেঁটি আলোচনী, বিয়ানামঃনাৰীৰ বুকুৰ সম্বাদ ( পৃষ্ঠা ৯৮ )

ৰাভা,চক্ৰধৰ: বিকালি কলেজ-- অসমীয়া লোকগীতৰ এটি চমু অৱলোকন http://bikalicollege.digitallibrary.co.in/bitstream/123456789/224/3/BIKALIAN%209_%20Pt-3.pdf

গোস্বামী,ড° ভৃগুমোহন - সংস্কৃতি আৰু লোকসংস্কৃতি ( পৃষ্টা - ৫ )

https://as.vikaspedia.in/education/